# দীপশিখা

ISSN 2348-9049

একাদশ বৰ্ষ, ২০১৭

## সংস্কৃতি বিশেষ সংখ্যা



সম্পাদক
ৰ'দালি দাস

তত্ত্বাৱধায়ক
ড° চুমী কলিতা

অসমীয়া ছাত্ৰ সাহিত্য সমাজ
বড়োলেণ্ড বিশ্ববিদ্যালয়, কোকৰাঝাৰ

দীপশিখা
একাদশ বৰ্ষ, সংস্কৃতি বিশেষ সংখ্যা
ISSN : 2348-9049

# পশ্চিম অসমৰ কোচ-ৰাজবংশী লোক সমাজত প্ৰচলিত খেল-ধেমালি ঃ এটি অধ্যয়ন

তৰুণ চন্দ্ৰ ৰায়

**অৱতৰণিকা ঃ**

খেল-ধেমালি হ'ল আনন্দ-উল্লাসৰ মাজেৰে শাৰীৰিক, মানসিক উৎকৰ্ষৰ এটা এৰাব নোৱাৰা দিশ। ই পিছত প্ৰতিযোগিতালৈ পৰ্যৱসিত হয়। এই প্ৰতিযোগিতা দুটা দল বা দুজন ব্যক্তিৰ মাজত হোৱা আনন্দ ক্ষণ। সাংসাৰিক কৰ্ম ব্যস্ততাই মানুহক আনন্দ দিয়ে। এই কৰ্ম ব্যস্ততাত থাকিও প্ৰত্যেকজন সামাজিক প্ৰাণীয়ে আজৰি সময়ত নিজকে খেল-ধেমালিত লিপ্ত কৰাব বিচাৰে। ইয়াৰ পৰা যি আনন্দ পায় সেই আনন্দই প্ৰত্যেকজনৰ হৃদয়ত থকা কদৰ্যভৰা মনক মুক্ত কৰায়।

শক্তিবান বা সুস্বাস্থ্যবান ব্যক্তিয়েহে খেল খেলে। দুৰ্বল বা ৰুগীয়া ব্যক্তি এজনে কেতিয়াও খেল-ধেমালি কৰিবলৈ সক্ষম নহয়। খেল-ধেমালিয়ে এজন ব্যক্তিৰে লগতে একোটা জাতিৰ শৌৰ্য-বীৰ্য কঢ়িয়াই আনিব পাৰে। খেলৰ জৰিয়তে একো একোজন ব্যক্তিয়ে নিজৰ শাৰীৰিক শক্তি-সামৰ্থ্য কিমান, তাক আনৰ সন্মুখত প্ৰদৰ্শন কৰাব পাৰে।

**পশ্চিম অসমৰ কোচ-ৰাজবংশীসকলৰ মাজত প্ৰচলিত খেল-ধেমালি ঃ**

অসমৰ একেবাৰে পশ্চিম প্ৰান্তত অন্যান্য জনগোষ্ঠীৰ লগতে লেখত ল'বলগীয়া এটা জনগোষ্ঠী হ'ল- কোচ-ৰাজবংশীসকল। এওঁলোকৰ লোক সমাজত প্ৰাচীন কালৰে পৰা বিভিন্ন প্ৰকাৰৰ খেল-ধেমালি চলি আছিল। কিছুমান খেল-ধেমালি কালৰ গৰ্ভত বিলুপ্ত হৈছে আৰু কিছুমান খেল পৰম্পৰাগত ভাবে এতিয়াও প্ৰচলিত হৈ আছে। জন গোষ্ঠীটোৰ মাজত প্ৰচলিত খেল-ধেমালিসমূহৰ লিংগ, স্থান, ঋতু, কাল পাত্ৰভেদে বিভিন্ন প্ৰকাৰৰ থকা দেখা যায়। সাধাৰণতে খেল-ধেমালিসমূহ ল'ৰা-ছোৱালী, পুৰুষ-মহিলা নিৰ্বিশেষ সকলোৱে খেলে তথা আনন্দ উপভোগ কৰে। তলত এই সম্পৰ্কে এটি চমু আলোচনা আগবঢ়োৱা হ'ল।

**লিংগ অনুসৰি ঃ**

খেল-ধেমালি সমূহ প্ৰকৃততে ল'ৰা-ছোৱালী উভয়ে একেলগ হৈ খেলা দেখা যায়। কিন্তু ইয়াৰ

*লেখক স্বামী যোগানন্দগিৰি মহাবিদ্যালয়, শক্তি আশ্ৰমৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক*

কিছুমান খেলৰ ধৰণ অনুসৰি কেৱল ল'ৰা নাইবা ছোৱালীয়েহে খেলা দেখা যায়। ল'ৰা-ছোৱালী উভয়ে খেলা খেলসমূহ হ'ল- বম্নি, গোল্লা, গাই-বাছুৰ, ধাপ্পু, ৰেডি/দাৰি বান্দা, ধি/গুডু, আইদল-বাইদল, স্পেৰেট/লুকা-লুকি, জিৎ জিৎ, হুবাচ, বৰ-কইনা, ঘোল্লপাতি, কানামাশি ইত্যাদি।

কেৱল ল'ৰাৰ দ্বাৰা খেলা খেল সমূহ হ'ল— লাঠিখেল, কুকুৰা বা মুৰ্গা যুজ, বেংঝাপ, হাতী হাতী, মইশ যুজ, বল্টু ভাঙা, বিট গুটি বা মাৰ্বল ইত্যাদি। আনহাতে কেৱল ছোৱালীবোৰে খেলা খেল সমূহ হ'ল-কুত-কুত, হাপকা, ভাত-শাক বান্দা, কড়ি আদি।

**স্থান অনুসৰি ঃ**

খেলসমূহ সাধাৰণতে নিৰ্দিষ্ট স্থান বা জাগাতহে খেলা দেখা যায়। কিছুমান মনৰ ৰুচি-অভিৰুচি অথবা কিছুমান খেল কোলাহলপূৰ্ণ স্থানৰ বিপৰীতে নিস্তব্ধ স্থান মনোনীত কৰি লৈ খেলা হয়। প্ৰাকৃতিকভাৱে ক'বলৈ হ'লে খোলা খেল পথাৰ, বৰগছ যেনে— আহঁত গছ, বটগছ, ডাঙৰ আমগছ, কঠাল গছৰ তলত বহি বহি বা থিয় হৈ খেলা হয়। যেনে— ঘোল্লপাতি, কুত কুত, হাপকা, গাই-বাছুৰ, বিট গুটি, কড়ি আদি। কিছুমান চোতালত পিছল কৰি পিছলা খেল, পুখুৰীৰ পানীত জিৎ জিৎ খেল, আন কিছুমান খেল যেনে- হাবি বা জংঘল আদিত স্পেৰেট, লুকা-লুকি বা লুকা-চুৰি, খেল পথাৰত গোল্লা, বম্নি, ৰেডি, ধি, বেংঝাপ, হাতী হাতী, আইদল-বাইদল ইত্যাদি।

ৰুচি অনুসৰি খেলা খেলসমূহ হ'ল— ঘৰৰ কোনো এটি নিৰ্জন কোণত বৰ কইনা খেলা, বন্ধা-বাৰা খেলা, কড়ি খেলা আদি।

**ঋতু অনুসৰি ঃ**

সাধাৰণতে পৰম্পৰাগত খেলসমূহ ঋতু অনুসৰিহে খেলা দেখা যায়। সকলোবোৰ ঋতুতে সকলোবোৰ খেল খেলা দেখা নাযায়। কিছুমান গৰম দিনত, কিছুমান ঠাণ্ডা দিনত ৰাতি পুৱাৰ কোমল ৰ'দত, খেলা দেখা যায়। অৱশ্যে খেলসমূহ খেলাৰ সময়ত ল'ৰা-ছোৱালীবিলাকে গৰমকো গৰম আৰু ঠাণ্ডাকো ঠাণ্ডা অনুভৱ নকৰি আপোনমনে খেলে।

গৰম দিনৰ খেলবিলাক হ'ল— হাতী হাতী, মহ যুজ, বেংঝাপ, বিটগুটি, কড়ি, ভাত-শাক ৰন্ধা, হুবাচ হুবাচ, লাঠি খেল, গোল্লা, স্পেৰেট লুকা-লুকি আদি। কণ কণ ল'ৰা-ছোৱালী উভয়ে খেলা খেল হ'ল ৰন্ধা, বৰ-কইনা, ঘোল্লপাতি ইত্যাদি। অৱশ্যে কিছুমান খেল প্ৰত্যেক ঋতুতে খেলা দেখা যায়।

**কাল বা সময় অনুসৰি ঃ**

খেল-ধেমালি আজৰি সময়ত খেলা হয়। বিশেষকৈ ল'ৰা-ছোৱালীবিলাকে আবেলি পঢ়াশালীৰ পৰা আহি তথা যিদিনা বন্ধ থাকে সিদিনাখন পেটৰ ভোক-ক্ষুধাকো অনুভৱ নকৰি গোটেই দিন ধৰি খেলি থাকিব বিচাৰে। কিছুমান খেল ৰাতিপুৱা বা আবেলিৰ কম ৰ'দত খেলে। যেনে— হুবাচ হুবাচ, কুকুৰা যুজ, বেং ঝাপ, বল্টু ভাঙা, মহ যুজ ইত্যাদি।

আন কিছুমান খেল আছে ভৰ দুপৰীয়াৰ বৰ গছৰ ছাঁত বহিও খেলিব পাৰি। সেইবোৰ হ'ল— ঘোল্লপাতি, লাঠি খেল, বিট গুটি, ভাত-শাক ৰন্ধা, কড়ি,কুত কুত, হাপকা ইত্যাদি।

**খেলৰ ধৰণ-কৰণ অনুসৰি ঃ**

কোচ-ৰাজবংশী লোক সমাজত প্ৰচলিত খেল-ধেমালিসমূহৰ ধৰণ-কৰণ অনুসৰি এইদৰে ভাগ কৰিব পাৰি। যেনে— বহি বহি, থিয় দি, সাঁতুৰি। প্ৰত্যেকটো খেলেই অংগ সঞ্চালন কৰিয়ে খেলা হয় যদিও তাৰ ভিতৰতো সুকীয়াকৈ অংগ সঞ্চালন কৰা হয়। বহি বহি খেলৰ ভিতৰত পৰে- ভাত-শাক ৰন্ধা,

বৰ-কইনা খেলা, ষোল্লপাতি, কড়ি, বিটগুটি, পিছলা খেলা, উমুনি-ডুমুনি ইত্যাদি।

থিয় দি অংগ সঞ্চালন কৰি খেলা খেলসমূহ হ'ল— কুত কুত, হাপকা, বন্নি, ধি, গোল্লা, স্পেৰেট, লুকা-চুৰি, লাঠি খেল, বল্টু ভাঙা, আইদল-বাইদল ইত্যাদি। সাধাৰণতে থিয় দি এখন ভৰিত ভৰ দি খেলা খেল হ'ল— জিৎ জিৎ, ডুবা-ডুবি আদি।

উল্লিখিত খেল-ধেমালিসমূহৰ এটি চমুকৈ আভাস দিবলৈ চেষ্টা কৰা হ'ল।

**গাই-বাছুৰ খেল ঃ**

এই খেল সাধাৰণতে বহি বহি দুজন মানুহৰ মাজত খেলা হয়। এই খেলৰ উপাদান হ'ল— শিল গুটি আৰু মাটিতে খুন্দি লোৱা সৰু গাঁত। এজনৰ ভাগত সৰু গাঁত দহটাকৈ থাকে, অৰ্থাৎ বিশটা। প্ৰতিটো গাঁতত পাঁচোটাকৈ শিলগুটি ৰাখি অৰ্থাৎ দুজনৰ ভাগক এশটা শিলগুটিৰে খেলা হয়।

এই খেলৰ নিয়ম হ'ল— যি কোনো নিজৰ গাঁতৰ ভাগৰ শিলগুটি পাঁচটা যি কোনো ফালে এটা এটাকৈ দুয়োজনৰ গাঁতত দি যাব লাগে। য'ত শেষ হয়, তাৰ পিছৰ গাঁতৰ পৰা পুনৰাই লৈ এটা এটাকৈ দি যাব লাগে। এই দৰে এটা সময়ত শিলগুটি দিয়া একেবাৰে শেষ হয় তাৰ পিছৰ গাঁতত যদি এটাও শিলগুটি নাথাকে, সেই নথকাটোৰ পিছৰ গাতত থকা গোটেই শিলগুটিখিনি উঠাই লোৱাৰ নিয়ম। তাৰ পিছৰটোৰো যদি খালি গাঁত থাকে আৰু খালি গাঁতৰ পিছত যদি ভৰা শিলগুটি থাকে, তেন্তে তাৰ পৰাও উঠাই ল'ব পাৰি। তাৰ পিছত দ্বিতীয়জনে প্ৰথম জনৰ দৰে খেলিব পাৰে। যদি শিলগুটি গাতত দি দি তাৰ পিছত এটাও গুটি নাথাকে, তেন্তে সি এটা শিলগুটিও তাৰ ভাগত নাপায়। তেতিয়া সি হাৰি যায় বুলি কোৱা হয়।

**টকা-টকি খেল ঃ**

এই খেলৰ উপাদান হ'ল— শিলগুটি। ইয়ো দুজনৰ মাজত হোৱা খেল। প্ৰায় বিশ বা পঁচিশযোৰ মান শিলগুটি দুয়ো হাতত লৈ প্ৰথমে এজনে মাটিত একেবাৰতে মেলি দিয়া হয়। মেলি দিয়াত ভালকৈ লক্ষ্য কৰিব লাগে যে কিমান যোৰ শিল ওচৰা-ওচৰিকৈ থাকে। আঙুলি দি টকাই বা লৰাই দিওঁতে আগতে মাজেদি আঙুলি এটাৰে আঁচ টানি দিব লাগে আৰু লগে লগে যদি এটাৰ দ্বাৰা আনটোক লাগি যায়, তেন্তে এটা উঠাই ল'ব পাৰিব। যদি লাগি যাওঁতে অইন এটাক স্পৰ্শ কৰে বা দুটা শিলগুটি লগালগি কৰি থাকে আৰু উঠাই লওঁতে অইন এটাক স্পৰ্শ কৰে বা দুটা শিল গুটি লগালগ কৰি থাকে আৰু উঠাই ললে আনটো লৰি যায়, তেন্তে তাৰ পৰা এটাও শিলগুটি উঠাব নোৱাৰে। তেতিয়া দ্বিতীয়জনৰ পাল পৰে আগৰ নিয়ম অনুযায়ী। এইদৰে এটা সময়ত দুইজনৰ শিলগুটি এজনৰ হৈ যায়, তেতিয়া দ্বিতীয় জন হাৰি যোৱা বা চান খোৱা বুলি কোৱা হয়।

**কড়ি খেল ঃ**

কড়ি খেল সাধাৰণতে দুই ধৰণে খেলা হয়। উল্টা আৰু ভেল্টা। ইয়াৰ উপাদান হ'ল— শিলগুটি। কিছুমানে কড়িফল বা মাৰ্বল গুটিৰ দ্বাৰাও এই খেল খেলা দেখা যায়। ইয়াত সাধাৰণতে পাঁচটা গুটি থাকে আৰু কিছুমান নিয়ম থাকে। খেইবাটাও খোজ বা ঘাটৰ মাজেদি এই খেল খেলা হয়। এই আটাইকেইটা ঘাট অতিক্ৰম কৰিব পাৰিলেহে এটা গোল বা চান খোৱা বুলি কয়।

এই খেল দুজন বা ততোধিক লোকৰ মাজত খেলা হয়। খেলোতে যদি প্ৰথম জনৰ হাতৰ পৰা কড়ি বা গুটি পৰি যায় তেন্তে দ্বিতীয়জনৰ পাল পৰে বা দ্বিতীয়জনৰ 'বাৰ' বুলি কোৱা হয়।

এই খেল দুই প্ৰকাৰৰ। যেনে— ছোট খেল আৰু বৰ খেল। ছোট খেলক স্থানবিশেষে নদী খেল বুলি কোৱা হয়। বৰ খেলৰ খোজ বা ঘাট কেইবাটাও

থাকে। সেইবোৰ হ'ল— (ক) এক-দুই বা পাতনি, (খ) নাচ, (গ) হাল, (ঘ) টেন, (ঙ) জপ, (চ) চেংগেৰ, (ছ) বাঘা, (জ) ঠচ্কা, (ঝ) হপকা-দপকা, (ঞ) উপ্চা-ঢেপচা, (ট) হাত বদলি, (ঠ) কাউৰা, (ড) উল্টা আৰু (ঢ) ঠুকি বা চান। ছোট বা নদী খেলৰ ঘাট বা খোজকেইটা হ'ল— (ক) নাচ, (খ) হাল, (গ) তেল, (ঘ) জপ, (ঙ) তিনি-দুই, (চ) চিম্‌ঠা, (ছ) নদী আৰু (জ) চান।

**ধাপ্পু খেল ঃ**

এই খেলৰ উপাদান হ'ল শিলগুটি। ই দুজনৰ মাজত খেলা হয়। বহুত শিলগুটি একেবাৰে দুয়োখন হাতত লৈ মাটিত মেলি দিব লাগে। যি কেইটা শিলগুটি এটা নিৰ্দিষ্ট দূৰত্বৰ অন্তৰে অন্তৰে থাকে বা দুটাকৈ শিলগুটি যোৰ পাতি থাকিলে তাৰে এটা যিজনে মেলি দিয়ে, সি উঠাই ল'ব পাৰে। যদি তেনে ধৰণৰ যোৰ পাতি থকা শেষ হৈছে তাৰ পিছত দ্বিতীয়জনৰ পাল পৰে বুলি কয়। এইদৰে এটা সময়ত এজনৰ পিছত এজনকৈ পাল পৰি শেষ হয়। যাৰ লগত বেছি যোৰ শিলগুটি থাকে তেতিয়া কম থকাজনে চান খোৱা নিয়ম।

**কুত্ কুত্ খেল ঃ**

এই খেল সাধাৰণতে মাটিত আঁচ বা দাগ টানি, সেই দাগৰ মাজে মাজে খেলা হয়। মাটিত দীঘলে কেইটামান সৰু ঘৰ আৰু এটা বৰকৈ ঘৰ বনাই লৈ চেপেটা শিলগুটি নাইবা খোলাৰ দ্বাৰা এখন ভৰিৰে আগুৱাই লৈ গৈ খেলা হয়। ইয়াত দুজন বা তাতকৈ অধিক জনৰ মাজত খেলা হয়।

ইয়াৰ নিয়ম হ'ল— প্ৰথমজনে খেলটো প্ৰথম ঘৰ পৰা শেষৰ ডাঙৰ ঘৰলৈ লৈ যোৱা হয়। লৈ যাওঁতে কতো উশাহ বন্ধ নকৰাকৈ কুত্ কুত্ কৈ মুখেৰে উচ্চাৰণ কৰা হয়। যদি মৰা নাই, তেন্তে এক দুই কৰি গোটেই সৰু ঘৰবিলাক পাৰ কৰি একেবাৰে ডাঙৰ ঘৰৰ পৰা ঘূৰি আহি মূৰৰ ওপৰেদি প্ৰথম ঘৰত পৰাকৈ পিছফালেদি পেলাই দি কাটিব লাগে। এইদৰে কাটিলে প্ৰথমজনৰ ঘৰ বুলি দ্বিতীয়জনে প্ৰথমজনৰ ঘৰত ভৰি নিদি জপিয়াই যোৱাৰ নিয়ম। যিটো যাৰ ঘৰ তাত দুই ভৰি একেলগে দিব লাগে। এইদৰে এই খেল এজনৰ পিছত এজনকৈ খেলি যোৱা হয়। যিয়ে বেছি ঘৰ দখল বা কাটিব পাৰে সিয়ে জিকে বুলি কয়।

**হাপ্‌কা খেল ঃ**

এই খেলো মাটিত আঁচ বা দাগ পাৰি খেলা নিয়ম। ইয়াত ভৰিৰ সলনি খোলাটো ঘাইবিলাকত পেলাই দিহে আৰু আহোতে হাতেৰে উঠাই লৈহে খেলা নিয়ম। ঘৰবিলাক এটা সম্পূৰ্ণ আৰু এটা মাজতে সৰু দাগ দি অৰ্থাৎ দ্বিখণ্ডিত লোৱা হয়। একেবাৰে শেষৰটো ডাঙৰ কৰি তাৰ আগত সৰুকৈ ঘৰ দি তাৰ পৰাই খোলাটো মূৰৰ ওপৰেদি পিছ মূৱাকৈ দলিয়াই দি বাকী ঘৰবিলাক কাটা বা দখল কৰা হয়। খোলাটোৰে চালোতে বা ঘৰবোৰত দিওঁতে যদি দাগত পৰি যায় তেন্তে সি মৰা বুলি কয়।

এই খেল খেলোতে মুখেদি কোনো ধৰণৰ উচ্চাৰণ কৰিব নালাগে। মাত্ৰ যিটো ঘৰত খোলাটো চালি দিয়া হয়, উভতি আহোতে তাৰ লগৰ ঘৰৰ পৰা উঠাই লোৱা হয়। এইদৰে এই খেল খেলাৰ নিয়ম।

**হুৰাচ হুৰাচ খেল ঃ**

এই খেলৰ উপাদান বা কাতৰিৰ গুৰি অংশটো। গুৰি অংশটো ধুনীয়াকৈ চাচি চুচি গোল কৰি লোৱা হয় আৰু সেই গুটিৰে খেলা হয়। ইয়াত দুটা সৰু গাত ওচৰা-ওচৰিকৈ খান্দি লোৱা হয়। এটা গাতত দুটা বা তিনিটা গুটি লোৱা হয়। ইয়াত দুটা দলৰ মাজত প্ৰতিযোগিতা মুকলিভাৱে খেলা হয়। দুয়োটা দলক পৰিচালনা কৰা এজন পৰিচালক থাকে। এওঁ গাঁতৰ ওচৰত থাকি গুটিবিলাক দলিয়াই দি দি খেল

পৰিচালনা কৰি থাকে। দলিয়াই দিয়াৰ সময়ত দুয়ো দলে পৰিচালকৰ পিনে নোচোৱাকৈ কিছুদূৰ আঁতৰত গৈ হুৱাচ হুৱাচ কৈ চিঞঃৰি থাকিব লাগে। পৰিচালকজনে যেতিয়া হৈছে বুলি ক'ব, তেতিয়াহে দৌৰি আহি দলিয়াই দিয়া গুটিবিলাক বিচাৰি আনিব লাগে। ইয়াতো এটা কথা মন কৰিবলগীয়া যে, দুটা গাঁত দুটা দলে ভগাই ল'ব লাগে কোনটো কাৰ বুলি। ক'ত ক'ত দলিয়াই দিছে সেই গুটি বিচাৰি আনি নিজৰ গাঁতত জমা দিব লাগে। বিচাৰি আনোতে কচ়া যুজ লাগে। কেৱল কাঢ়ি আনি পোনপটীয়াকৈ কোনে আগত জমা দিব পাৰে। ই প্ৰতিযোগিতামূলক খেল। যিটো দলে কমকৈ জমা দিব পাৰে বিপৰীত দলে জিকাৰ নিয়ম। অৰ্থাৎ কম জমা দিব পৰা দলটোৱে হৰাৰ নিয়ম।

**যোল্ল পাতি খেল ঃ**

এই খেলো দুজন ব্যক্তিৰ মাজত হোৱা মগজুৰ প্ৰতিযোগিতামূলক খেল। ইয়াৰ উপাদান হ'ল— কচুৰ ঠাৰিৰ টুকুৰা বা শিলগুটি আদি। এই খেল খেলোতে মাটিত আঁচ বা দাগ পাৰি লোৱা হয়। সেই আঁচত যোল্লটা গুটিৰে খেলা হয়। এজনে আনজনৰ গুটি খোৱাৰ নিয়ম হ'ল— প্ৰথম জনৰ গুটিৰ পিছত যদি দ্বিতীয় জনৰ গুটি থাকে, তাৰ পিছত যদি অইন গুটি নাথাকে, তেন্তে সি সেই গুটি নিজৰ কৰি উঠাই লব পাৰে বা খাব পাৰে। গুটিবিলাক খোৱাৰ নিয়ম হ'ল দাগে দাগে আৰু পোনকৈ থকা গুটিকহে খাব পাৰে বা গতি কৰি থাকিব পাৰে। প্ৰথমজনে খোৱাৰ পিছত দ্বিতীয় জনৰ পাল পৰে। এইদৰে খেলি খাই খাই শেষ যিজনৰ আগে হয়, সিজনে হাৰি যোৱা বুলি কোৱা হয়। যোল্লপাতিৰ দৰে ন পাতি, বিশ পাতি, এই দৰে স্থানবিশেষে বিভিন্ন খেল দেখা যায়।

**ৰেডি খেল ঃ**

এই খেল সাধাৰণতে দুটা দলৰ মাজত খেলা হয়। ইচ্ছানুসৰি খেলা মানুহ বা 'খেল্টু'ৰ সংখ্যা হ'ব পাৰে। খোলা খেলপথাৰত ডাঙৰকৈ আঁক বা দাগ পাতি লোৱা হয় ইয়াকে 'হদ' বুলি কোৱা হয়। সাধাৰণতে এটা দলত ছয়-সাত জনকৈ হ'লে ভাল। এই খেলৰ নিয়ম হ'ল আঁক বা ঘাইত বা হদত প্ৰথম দলৰ প্ৰত্যেকে থিয় দি থাকিব আৰু দ্বিতীয় দলে ঘাই বা শাৰীৰ মাজেদি পাৰ হৈ ওলাই যাব লাগে। যাতে প্ৰথম দলৰ কোনো এজনে দ্বিতীয় দলৰ সদস্যক চুব নোৱাৰে। যদি গোটেই ঘাই পাৰ হৈ যাব পাৰে, তেন্তে তাক 'পাক্কা' হোৱা বুলি কয়। দ্বিতীয় দলৰ এজন পাক্কা হ'লে আটাইকে প্ৰৱেশ কৰিব দিব লাগে। সেই পাক্কাজন উভতি যদি গোটেই ঘাই পাৰ হৈ আহিব পাৰে, তেন্তে এক গল বা এক চান খোৱা বুলি কয়। আৰু যদি পাৰ হৈ আহোঁতে দ্বিতীয় দলৰ যি কোনো এজন চুব পাৰে, তেন্তে দ্বিতীয় দল মৰা বুলি কয়। তাৰ পিছতে দ্বিতীয় দলে ঘাই বা শাৰী পাতিব আৰু এইবাৰ প্ৰথম দলে পাৰ হৈ যাব। এইদৰে এই খেল চলি থাকে।

এই খেলৰ আৰু কিছুমান নিয়ম হ'ল— এটা ঘৰত তিনিজন একেলগে প্ৰৱেশ কৰিব নোৱাৰে। যদি কৰে তাক তিনি তিনি গোল্লা বুলি কয় আৰু একেলগে এটা ঘৰত পাক্কা আৰু কাচ্চা প্ৰৱেশ কৰিব নোৱাৰে। যদি কৰে তাক পাক্কা কাচ্চা মিসল বা 'পচ্চা' বুলি কয়। শাৰী পাতি থকাবিলাকে কোনে কাৰো শাৰীত বা 'হদৰে বাইৰা' যাব নোৱাৰে।

**বগ্নি খেল ঃ**

ই হ'ল দুটা দলৰ মাজত হোৱা প্ৰতিযোগিতা মূলক খেল। এই খেলৰ সদস্য সংখ্যা সাত-আঠ জনমান হ'লে

ভাল। ইয়াত প্ৰায় চল্লিশ-পঞ্চাশ মিটাৰমান দূৰত্ব দুটা ঘৰ পাতা হয়। যিটো দলৰ পোনতে পাল পৰিব, আন এটা দলক মুখেদি এক উশাহতে গীত সদৃশ গাই গাই খেদি ফুৰে। ইয়াক 'বুলি' বোলা হয় আৰু এই প্ৰক্ৰিয়াটোক 'দম' বা 'ছি' দিয়া বুলি কয়। প্ৰথম দলত প্ৰথম দলৰ সদস্যসকলে থাকিব আৰু দ্বিতীয় ঘৰত প্ৰথম দলৰ এজন থাকিব। তাক বন্নি বুলি কোৱা হয়। প্ৰথম দলে দ্বিতীয় দলক খেদি যুন্বাৰ কাৰণ যাতে চুব পাৰে বা মাৰিব পাৰে। যদি দ্বিতীয় দলৰ প্ৰত্যেককে মাৰিব পাৰে তেন্তে প্ৰথম দলৰ বন্নিজন মুক্ত মনে প্ৰথম ঘৰত আহিব পাৰে। বন্নি ঘৰৰ পৰা দলৰ ঘৰলৈ অহা প্ৰক্ৰিয়াটোকেই 'বন্নি ছুট' বুলি কয় আৰু আহি পালে 'বন্নি পাক্কা' বুলি কয়। আৰু যদি নিৰ্দিষ্ট সময়ত আহিব নোৱাৰে তেন্তে বন্নি পচ্চা বুলি কোৱা হয়।

অহিদল-বাঁহিদল ঃ

এই খেলৰ দুটা দল থাকে। দুয়োটা দলৰ দুজন মাও বা দলপতি থাকে। খেলৰ প্ৰথম পৰ্য্যায়ত দল বিভাজন নাথাকে। মাও দুজনে ওপৰ মুৱাকৈ দুই হাত ধৰি মুখামুখিকৈ থিয় দি থাকে। খেলৰ গোটেই সদস্যবিলাকে এজনৰ পিছত এজনকৈ কান্ধত ধৰি মাওৰ দুহাতৰ তলেদি যোৱা নিয়ম। গৈ থাকোঁতে একপ্ৰকাৰৰ গীত বা বুলি গায়। এই গীত বা বুলি গোৱাৰ শেষ হোৱাৰ লগে লগে পিছৰ জনক মাও দুজনে ৰাখি দিয়া নিয়ম। মাও দুজনে গোপনে নাম ৰাখি সেই সদস্যবিলাকক মাতিব দিয়া হয়। যাৰ নাম সদস্য বিলাকে কয় তাকে সেই মাওৰ ফলীয়া কৰাৰ পিছত এটা সীমা নিৰ্ণয় কৰি আহে আৰু সেইদলে হাৰি যায় বা চান খোৱা বুলি কয়।

স্পেৰেট খেল ঃ

এই খেলত বহুত সদস্য থাকে। লুকাই লুকাই এই খেল খেলা হয়। এজন মাত্ৰ ছুৱা থাকে। ছুৱাজনে সম্মুখ বা খোলা জাগাত থাকিব আৰু বাকীবোৰে লুকাই থাকিব। যেতিয়া হৈছে বুলি বাকী সদস্যবোৰে ক'ব, তেতিয়া ছুৱাজনে প্ৰত্যেককে বিচাৰি বিচাৰি উলিয়াব লাগে। ছুৱাজনে প্ৰত্যেককে বিচাৰি উলিয়াওঁতে নাম মাতি 'অমুক স্পেৰেট' বুলি মাতিব লাগে। এইদৰে যেতিয়া সবকে বিচাৰি বাহিৰ কৰিব পাৰে, তেতিয়া প্ৰথমজনক ছুৱা পতাৰ নিয়ম। তাৰ পিছত আগৰ দৰে খেল চলি থাকে।

লাঠি খেল ঃ

এই খেলৰ উপাদান হ'ল লাঠি। ই বাঁহৰ বা গছৰ ডালো হ'ব পাৰে। ইয়াত দুজন ব্যক্তিৰ মাজত হোৱা প্ৰতিযোগিতামূলক খেল। কোমল মাটিত এই খেল খেলা হয়। জোৰকৈ প্ৰথমতে এজনে থিয়কৈ লাঠি পুতি দিব। তাৰ পিছত আনজনে সেই লাঠিক মাটিত পৰি যোৱাকৈ সিও জোৰকৈ পুতি দিয়াৰ নিয়ম। এইদৰে এজনে আনজনক কিমান লাঠি হালাব পাৰে তাৰে এক আমোদজনকভাৱে এই খেল খেলা হয়।

জিৎ জিৎ খেল ঃ

জিৎ জিৎ খেল সাধাৰণতে পানীত সাঁতুৰি বা ডুবি ডুবি খেলা হয়। অৱশ্যে কিছুমানে খোলা পথাৰত খেলা দেখা যায়। ইয়াত এজন ছুৱা থাকি বা সেই ছুৱাজনে বাকীবোৰক মূৰত ছুব পৰাকৈ খেদি ফুৰে। তাৰ এটা নিৰ্দিষ্ট পৰিসীমা থাকে। সেই পৰিসীমাৰ মাজতহে দৌৰি ফুৰিব লাগে। ইয়াত যিজনক প্ৰথমে ছুব পাৰে সিয়ে পিছলৈ ছুৱা হ'ব লাগে।

বৰ কইনা খেল ঃ

এই খেল সাধাৰণতে কণ কণ ল'ৰা-ছোৱালীয়ে খেলে। বাস্তৱ সংসাৰখন যি দৰে চলে তাত যাৱতীয় কাম-কৰ্মবিলাক কেনে, তাক অনুসৰণ কৰি ল'ৰা-

ছোৱালীবিলাকেও খেলে। ইয়াত ল'ৰা-ছোৱালীবিলাকে কোনোবাক দ'ৰা-কইনা সজাই ঠিক বিয়া ৰীতিমতে খেলে। ইয়াত কোনোৱাই ব্ৰাহ্মণ, কোনোবাই নাপিত, কোনোবাই বইৰাতি, আয়তী ইত্যাদি বিভিন্নজনৰ ভাও দিয়ে।

**নাকাৰ খাৱা খেল ঃ**

ই দুটা দলত বিভক্ত হৈ খেলে। দুটা দলৰ দুই মাও বা মুৰুব্বী থাকে। কিন্তু মুৰব্বী দুজন ওলোটা হৈ খেল পৰিচালনা কৰে। দুয়োটা দল এটা আনটোৰ পৰা বিশ-পছিশ মিটাৰমান আঁতৰত থকা নিয়ম। একোটা দলত পাঁচ-ছয়জনকৈ সদস্য থাকে। মাওজনে নিজ দলৰ প্ৰতিজন সদস্যক গোপনীয়কৈ জীব-জন্তুৰ নামত নাম ৰাখে। খেল পৰিচালনা কৰাৰ সময়ত মুৰব্বী দুজন ওলোটা হৈ এজন এজনকৈ মাতে—"আয়ৰে মোৰ নাকাৰ খাৱা', 'আয়ৰে মোৰ শিয়াল খাৱা" ইত্যাদিকৈ। সেই হিচাপে সেই নামৰজন আহি কপালত চিকুট মাৰি যোৱা নিয়ম। তাৰ পিছত চকু খুলি দি কোন চিকুট মাৰি গ'ল তাক ক'ব লাগে। যদি ক'ব পাৰে দুই জাপ জপিয়াব পাৰে আৰু যদি ক'ব নোৱাৰে বিপৰীত দলৰ সেইজনে এজাপ মাৰিব পাৰে। এইদৰে জপিয়াই জপিয়াই এটা সময়ত বিপৰীত দলৰ স্থান পায়, তাতে চাচন বা গোল খোৱা বুলি কোৱা হয়।

**উমুনি-দুমুনি খেল ঃ**

এই খেল চাৰি-পাঁচজন সদস্য একেলগ হৈ খেলা হয়। ইয়াত দলপতি বা মাও নাথাকে। সবে বহি হাত মুঠি পকাই থিয়কৈ মাটিত ৰখা নিয়ম। মুঠি বিলাকৰ যি কোনো এটাত এডাল সৰু কাঠি বা শিলগুটি লুকাই থোৱা হয়। ক'ত লুকাই থোৱা হয় তাৰ কোনো নিৰ্দিষ্ট স্থান নাথাকে, এজন এজনকৈ ক'ব লাগে, কাঠিডাল ক'ত থোৱা হয় আৰু ক'ব পাৰিব লাগে। ক'ব পাৰিলে চান নাখায়। কিন্তু নোৱাৰিলে চান খোৱা বুলি কয়। এই দৰে এই খেল চলি থাকে।

**উপসংহাৰ ঃ**

ওপৰত আলোচিত খেলৰ উপৰিও কোচ-ৰাজবংশী লোক সমাজত অন্যান্য বহুতো খেল আছে। এই খেলসমূহ হ'ল ইছন-বিছন, ঘিলা খেল, ম'হ যুজ, ধি খেল, হাতী হাতী খেল, ভেকুলা জাপ খেল, বল্টু ডাঙা খেল ইত্যাদি। এইবোৰৰ উপৰি আজিকালি দেশী-বিদেশী বিভিন্ন খেলৰ প্ৰচলন হোৱা দেখা যায়। বিদেশী খেলৰ প্ৰভাৱৰ ফলত কিছুমান পৰম্পৰাগত খেল-ধেমালি বিলুপ্তিৰ পথত আগবাঢ়িছে। আনহাতে কিছুমান খেল-ধেমালি স্থান বিশেষে বা অঞ্চল বিশেষ বেলেগ বেলেগ ৰূপ দেখিবলৈ পোৱা যায়। গৱেষকসকলে এই সম্পৰ্কে উপযুক্ত তথ্য সংগ্ৰহ কৰি সম্পূৰ্ণ গৱেষণা পত্ৰ এখনি প্ৰস্তুত কৰিব পাৰে। এইখনি আলোচনা পত্ৰত খেল-ধেমালিৰ সম্পূৰ্ণ আলোচনা নকৰি এক চমু বিৱৰণহে দিয়া হৈছে বুলি ক'ব পাৰি।

**গ্ৰন্থপঞ্জী ঃ**


চেতিয়া, উমেশ ঃ অসমৰ লোক সংস্কৃতিৰ ৰূপৰেখা

বৰুৱা, বিৰিঞ্চি কুমাৰ ঃ অসমৰ লোক সংস্কৃতি

ভকত, দ্বিজেন্দ্ৰ নাথ ঃ অসমৰ কোচ ৰাজবংশী জনজাতি


**তথ্য দাতা ঃ**

মিচ্ মীনাক্ষী ৰায়, ভোটগাওঁ, কাশিপাৰা।
মিচ্ সুনীতি ৰায়, ভোটগাওঁ, কাশিপাৰা।
শ্ৰীনীৰদ বৰ্মন, চিথিলা।
শ্ৰীমতী সোনাবালা বৰ্মন, ফুটকিবাৰী। □